অকঁণিহতঁৰ বাবে বাইটৌবেলখন

আগবঢ়াইছে



# স্বৰ্গ ঈশ্বৰৰ

# মনোৰম ঘৰ

লিখিছে: Edward Hughes

ব্যাখ্যা কৰিছে: Lazarus

গ্ৰহন কৰিছে: Sarah S.

অনুবাদ কৰিছে: ড: শান্তি ৰাণী সিং, এম, এচ, চি. পি এইচ. ডি.

প্ৰকাশ কৰিছে: Bible for Children
www.M1914.org

©2010 Bible for Children, Inc.
অনুমতি: এইট কাহিনীটো নকল বা ছপা কৰা অধিকাৰ আপোনাৰ আছে,
কিন্তু হটয়াক বিক্ৰি নকৰিব।

যেতিয়া যীচু এইট পৃথিৱীত নিবাস কৰিছিল তেতিয়া তেওঁৰ শিষ্যসকলক স্বৰ্গৰ বিষয়ে কৈছিল। তেওঁ তাক “মোৰ পিতৃৰ ঘৰ” কৈছিল, আৰু কৈছিল যে, তাত অনেক অট্টালিকা আছে। অট্টালিকা হৈছে অতি বৃহৎ, মনোৰম ঘৰ। পৃথিৱীত থকা ঘৰবোৰতকৈ স্বৰ্গ অতি বৃহৎ আৰু মনোৰম।



যীচুৱে কৈছিল, “মহট তোমালোকলৈ ঠাইহট যুগুত কৰিবলৈ যাওঁ, আৰু মহট তোমালোকলৈ যদি ঠাইহট যুগুত কৰোঁগে, মহট আকৌ আহি তোমালোকক মোৰ ওচৰলৈ লৈ যাম”। মৃত্যুৰ পৰা জীৱিত হৈ উঠাৰ পিছত যীচু স্বৰ্গলৈ গ’ল। শিষ্যসকলে চাহট থাকোতে যীচুক ওপৰলৈ নিয়া হৈছিল, আৰু এচপা মেঘে তেওঁলোকৰ দৃষ্টিৰ আগৰ পৰা তেওঁক গ্ৰহণ কৰিলে।



যীচু উভতি আহি তেওঁলোকক লৈ যোৱা যি প্ৰতিজ্ঞা সেহট প্ৰতিজ্ঞাক খ্ৰীষ্টিয়ানসকলে সুঁৱৰণ কৰে। যীচুৱে কৈছিল যে আশা নকৰা সময়ত তেওঁ অকস্মাতে আহিব। কিন্তু তেওঁ উলটিট অহা আগতে মৃত্যু হোৱা খ্ৰীষ্টিয়ানসকলৰ কি হ'ব? বাহটবেলে কৈছে যে, তেওঁলোকে পুনে পুনে যীচুৰ লগত থাকিবলৈ যাব। শৰীৰৰ পৰা অনুপস্থিত হোৱাহট প্ৰভুৰ লগত উপস্থিত হোৱাকে বুজায়।



স্বৰ্গখন যে কিমান মনোৰম এইট বিষয়ে বাইবেলৰ শেষ পুস্তক প্ৰকাশিতবাক্যই কয়। আশ্চৰ্য্যজনক বিষয়টো হৈছে যে, অতি বিশেষধৰণে স্বৰ্গ হৈছে ঈশ্বৰৰ ঘৰ। ঈশ্বৰ সকলোতে চিৰবিৰাজমান, কিন্তু তেওঁৰ সিংহাসন স্বৰ্গত আছে।



স্বৰ্গদূত আৰু আন স্বৰ্গনিবাসীসকলে স্বৰ্গত ঈশ্বৰৰ সেৱা আৰাধনা কৰে। মৃত্যুৰ দ্বাৰাহে স্বৰ্গলৈ যোৱা ঈশ্বৰৰ লোকসকলে ও সেহে একেদৰে কৰে। তেওঁলোকে ঈশ্বৰলৈ বিশেষ স্তুতি প্ৰশংসাৰ গীত-গান কৰে।



এহটৗা তেওঁলোকৰ গীতগান কৰা গীতৰ কেইটটিটমান শব্দ: তুমিহে যোগ্য; কিয়নো তুমি হ'ত হ'লা, আৰু সকলো ফৈদ, ভাষা ৰাজ্য আৰু জাতিবিলাকৰ মাজৰ পৰা ঈশ্বৰৰ উদ্দেশ্যে প্ৰজাসমূহক নিজৰ তেজেৰে কিনিলা, আমাৰ ঈশ্বৰৰ উদ্দেশ্যে তেওঁবিলাকক ৰাজ্যস্বৰূপ আৰু পুৰুষিত পাতিলা।

(প্ৰকাশিতবাক্য ৫: ৯ - ১০ পদ)।



বাইবেলৰ শেষৰ পৃষ্ঠা কেইখনে স্বৰ্গক “নতুন যিৰূচালেম” বুলি বৰ্ণনা কৰিছে। ই অতি বৃহৎ আৰু বাহিৰৰ ফালে সুউচ্চ দেৱাল আছে। দেৱালবোৰ সূৰ্য্যকান্ত মণিৰ, নিৰ্ম্মল আৰ্চীৰ দৰে, গড়বোৰৰ ভিত্তিমূলবোৰ আঠটাইবিধ বহুমূলীয়া মণিৰে বিভূষিত , আৰু বিভিন্ন ৰঙেৰে জকমকাই থকা। নগৰখনৰ প্ৰতিটো দুৱাৰ এটা ডাঙৰ মুকুতাৰে সজা!



মুকুতাৰে স◌িত সেহট দুৱাৰবোৰ কেতিয়াও বন্ধ নহয়। ভিতৰলৈ প্ৰবেশ কৰি চাৰিওফালে নিৰীক্ষণ কৰো আঁহা ... আহ! স্বৰ্গখন ভিতৰত আৰু অধিক মনোৰম। নগৰখন বিশুদ্ধ সোণেৰে সজা, আৰ্চীৰ দৰে নিৰ্ম্মাণ আনকি আলিবোৰো সোণেৰে সজা।



ঈশ্বৰৰ সিংহাসনৰ পৰা এহট অতি মনোৰম নিৰ্ম্মাল নদীৰ জীৱন জলৰ পানী বৈ থাকে। নৈ খনৰ আনফালে জীৱন বৃক্ষ আছে, যি বৃক্ষ প্ৰথমে এদন বাৰীত পোৱা গৈছিল। এহট বৃক্ষ বিশেষত্বপূৰ্ণ, হটয়াত বাৰবিধ বিভিন্ন ধৰণৰ ফল উৎপন্ন হয়, প্ৰতিমাহে এবিধ বেলেগ ফল। জীৱন বৃক্ষৰ পাতবোৰ হৈছে জাতিবোৰৰ সুস্থতাৰ কাৰণে।



পোহৰৰ কাৰণে স্বৰ্গত সূৰ্য্য বা চন্দ্ৰৰ প্ৰয়োজন নাইট। ঈশ্বৰৰ গৌৰৱে এক অপূৰ্ব্ব পোহৰেৰে গোটেইখন আলোকিত কৰে। তাত কেতিয়াও ৰাতি নহয়।



স্বৰ্গত থকা জন্তুবোৰো বেলেগ ধৰণৰ। সকলোবোৰ জন্তু শান্ত আৰু বন্ধুত্বৰে পূৰ্ণ। ৰাংকুকুৰ আৰু মেৰবিলাকে একেলগে ঘাঁহ খায়, আনকি ডাঙৰ ডাঙৰ সিংহবোৰেও বলদৰ দৰে ধান খেৰ খায়। প্ৰভুৱে কৈছে : “মোৰ পবিত্ৰ পৰ্ব্বতত সিহঁতে আঘাত বা ধ্বংস নকৰিব”।



চাৰিওদিশে লক্ষ্য কৰোতে, আমি দেখিবলৈ পাওঁ যে স্বৰ্গত কিছুমান বস্ত নাইট। খঙেৰে পূৰ্ণ শব্দ কেতিয়াও শুণা নাযায়। কোনেও কাজিয়া কৰা নাইট বা স্বাৰ্থপৰ হোৱা নাইট।

দুৱাৰবোৰত তলা লগোৱা নাইট, কিয়নো স্বৰ্গত কোনো চোৰ নাইট। তাত মিছলীয়া, নৰবধী, যাদুকৰ, বা আন কোনো দুষ্ট লোক নাইট। স্বৰ্গত কোনো ধৰণৰ পাপ নাইট।



স্বৰ্গত ঈশ্বৰৰ লগত চকুলো নাহট। কেতিয়াৱা এহট জীৱনত লাভ কৰা দুখ বেদনাৰ কাৰণে ঈশ্বৰৰ লোকসকলে ক্ৰন্দন কৰে। স্বৰ্গত, ঈশ্বৰে আঢটাঁহট চকুলো মচি পেলাব।



স্বৰ্গত আনকি মৃত্যুও নাহটা। ঈশ্বৰৰ লোকবিলাক চিৰদিন প্ৰভুৰ লগত থাকিব।

দুখ, শোক আৰু নাথাকিব, ক্ৰন্দন আৰু নাথাকিব, কষ্ট আৰু বেদনাও

আৰু নাথাকিব, ৰোগ নাথাকিব, বিদায় বেলা নাথাকিব,

সমাধিস্থ কৰা নহব। ঈশ্বৰৰ

সহিত স্বৰ্গত সকলোৱে

চিৰদিন সুখী হৈ থাকিব।



আটাইতকৈ উত্তম কথাটো হৈছে, স্বৰ্গখন ল'ৰা-ছোৱালী সকলৰ কাৰণে ( আৰু জেষ্ঠ্যজনৰ কাৰণেও ), যিসকলে যীচু খ্ৰীষ্টক তেওঁলোকৰ ত্ৰাণকৰ্ত্তা বুলি বিশ্বাস কৰিছে। আৰু তেওঁলোকৰ প্ৰভু স্বৰূপে তেওঁৰ বাধ্য হৈছে।






স্বৰ্গত মেৰ পোৱালিৰ জীৱন পুস্তক বুলি এখন পুস্তক আছে। হট লোকসমূহৰ নামেৰে ভৰি আছে। তাত কাৰ, কাৰ নাম লিখা আছে তাক তোমালোকে জানা নে? সেহট সকলোৰে নাম যি সকলে যীচুত বিশ্বাস কৰিলে।

তোমাৰ নাম তাত আছে নে?



বাইবেলত স্বৰ্গৰ বিষয়ে থকা শেষৰ শব্দবোৰ অতি সুন্দৰ আহবান। “আত্মা আৰু কন্যাইট কয়, আঁহা ; আৰু যি জনৰ পিয়াহ লাগে, তেওঁ আহক ; যিজনে ইচ্ছা কৰে, তেওঁ বিনামূল্যে জীৱন জল গ্ৰহণ কৰক”।



স্বৰ্গ ঈশ্বৰৰ মনোৰম ঘৰ

ঈশ্বৰৰ বাক্য, বাইবেলত,

এইট কাহিনী পোৱা যায়

যোহন ১৪, ২য় কৰিন্থীয়া ৫, প্ৰকাশিতবাক্য ৪, ২১, ২২ অধ্যায়।

“তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।”

গীতমালা ১১৯: ১৩০ পদ।

# সমাপ্ত

বাইবেলৰ এইটো কাহিনীয়ে আমাক আমাৰ আশ্চৰ্য্যজনক ঈশ্বৰৰ বিষয়ে কয়, যিজনাই আমাক নিৰ্ম্মাণ কৰিলে আৰু যি জনাই আমি তেওঁৰ বিষয়ে জনাতো বাঞ্চা কৰে।

ঈশ্বৰে জানে যে আমি বেয়া কাম কৰিলো, যাক তেওঁ পাপ বুলি আখ্যা দিছে। পাপৰ শাস্তি হৈছে মৃত্যু, কিন্তু ঈশ্বৰে তোমাক ইমান প্ৰেম কৰে যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰ যীচুক পঠাই দিছিল, যাতে তেওঁ তোমাৰ পাপৰ কাৰণে শাস্তি পাই ক্ৰুচত মৃত্যু বৰণ কৰে। তাৰ পিছত যীচু জীৱিত হ'ল আৰু তেওঁৰ ঘৰ স্বৰ্গলৈ গ'ল! তুমি যদি যীচুত বিশ্বাস কৰা আৰু তোমাৰ পাপবোৰ ক্ষমা কৰিবলৈ কোৱা, তেতিয়া তেওঁ নিশ্চয়ে কৰিব! তেওঁ এতিয়াই আহি তোমাত নিবাস কৰিব, আৰু তুমি চিৰকাল তেওঁ লগত নিবাস কৰিবা।

তুমি যদি এইটো সত্যত বিশ্বাস কৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা:

প্ৰিয় যীচু, মই বিশ্বাস কৰো যে, আপুনি ঈশ্বৰ, মোৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ আপুনি মানুহৰ ৰূপ ধাৰণ কৰিলে, আৰু এতিয়া আপুনি আকৌ জীৱিত। মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰক, যাতে এতিয়া মই নতুন জীৱন পাব পাৰো, আৰু এদিন চিৰদিনৰ কাৰণে আপোনাৰ লগত থাকিবলৈ আপোনাৰ ওচৰলৈ যাব পাৰো। আপোনাৰ বাধ্য হৈ আপোনাৰ সন্তানৰ দৰে আপোনাৰ কাৰণে জীয়াই থাকিবলৈ মোক সহায় কৰক। আমেন।

বাইবেলখন পঢ়া আৰু প্ৰতিদিনে ঈশ্বৰৰ লগত কথোপকথন কৰা! যোহন ৩: ১৬ পদ।